**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2025 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

**--------------------**

১। ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ কেইবাখনো চহৰক লক্ষ্য কৰি পাকিস্তানে চলোৱা আক্ৰমণৰ প্ৰচেষ্টা প্ৰতিহত।

২। প্ৰসূতিৰ মৃত্যুৰ হাৰ ২৮ পইণ্ট হ্ৰাস কৰি স্বাস্থ্যজনিত সুৰক্ষাৰ ক্ষেত্ৰত দেশৰ ভিতৰতে ৰাজ্যৰ উন্নত প্ৰদৰ্শন।

৩। পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলাসমূহত প্ৰস্তুতি সম্পূৰ্ণ।

৪। আসন্ন বিটিআৰ নিৰ্বাচনত বি পি এফ আৰু গণ সুৰক্ষা পৰিষদৰ ঐক্যবদ্ধ হৈ প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন সতৰ্কতামূলক ব্যৱস্থা হিচাপে আধাতে বাতিল।

০০০০০০০

সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো চহৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ প্ৰচেষ্টা ব্যৰ্থ কৰে। পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত কালি কেইবাবাৰো যুদ্ধ বিৰতি উলংঘা কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ত প্ৰকাশ কৰা মতে পাকিস্তানে জম্মু, পাঠানকোট আৰু উধমপুৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি লোৱাৰো চেষ্টা চলায়। জম্মু আৰু কাশ্মীৰৰ পুঞ্চ, ৰাজৌৰি, ভিমবাৰ আদি খণ্ডতো পাকিস্তানী সেনাই গুৰু কামান ব্যৱহাৰ কৰি আন্তঃৰাষ্ট্ৰীয় সীমাৰ সিপাৰৰ পৰা ভাৰতলৈ লক্ষ্য কৰি গোলাবৰ্ষণ কৰে। ভাৰতীয় বাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে।

ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালীয়ে এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰে। পাকিস্তানী আক্ৰমণত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। জম্মু-কাশ্মীৰৰ সীমান্ত অঞ্চলত থকা এগৰাকী অসমীয়া মহিলাই অঞ্চলটোৰ পৰিস্থিতি সন্দৰ্ভত আমাক এইদৰে জনায় –

–বাইট–

সেনা বাহিনীয়ে কৈছে যে দেশৰ সাৰ্বভৌমত্ব আৰু ভৌগোলিক অখণ্ডতা ৰক্ষা কৰিবলৈ ই বদ্ধপৰিকৰ। সকলো কু-অভিসন্ধিৰ সমুচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি সেনা বাহিনীয়ে সজোৰে প্ৰকাশ কৰে।

বৰ্ধিত উত্তেজনাৰ মাজতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি সীমান্ত সুৰক্ষা বাহিনী বি এছ এফৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে আৰু সীমান্তৰ পৰিস্থিতিৰ বুজ লয়। তেওঁ লগতে বিমান বন্দৰৰ সুৰক্ষা সন্দৰ্ভত কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনীৰ সঞ্চালকপ্ৰধানৰ সৈতে কথা পাতে।

ইপিনে, বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে কালি নতুন দিল্লীত এখন সংবাদমেলত কয়, যে উত্তেজনা বৃদ্ধি ভাৰতৰ কাম্য নহয় আৰু ভাৰতে পাকিস্তানত থকা সন্ত্ৰাসবাদী ঘাটিসমূহক আক্ৰমণৰ লক্ষ্য কৰি লৈছে। বিদেশ সচিবগৰাকীয়ে কয়, যে যোৱা ২২ এপ্ৰিলত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণ প্ৰকৃত অৰ্থত উত্তেজনা বৃদ্ধিৰ প্ৰয়াস আছিল আৰু ভাৰতে ইয়াৰ প্ৰত্যুত্তৰহে দিছে।

-বাইট-

সংবাদমেলত কৰ্ণেল ছ'ফিয়া কুৰেশ্বীয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহে কালি পাকিস্তানৰ কেইবাটাও স্থানৰ বায়ু প্ৰতিৰক্ষা ৰাডাৰ আৰু প্ৰণালীক আক্ৰমণৰ লক্ষ্য কৰি লয়। এই আক্ৰমণত লাহোৰৰ বায়ু প্ৰতিৰক্ষা প্ৰণালী ধৰংস হোৱা বুলিও তেওঁ জানিবলৈ দিয়ে।

-বাইট- (কুৰেশ্বী)

সংবাদ মেলত বায়ুসেনাৰ উইং কামাণ্ডাৰ ব্যোমিকা সিঙে কয়, যে ভাৰত উত্তেজনা বৃদ্ধি নকৰাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। পাকিস্তানে ইয়াৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো ইয়াৰ একমাত্ৰ চৰ্ত হ'ব বুলি তেওঁ মন্তব্য কৰে।

০০০০০০০

বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিহু অনুষ্ঠানসমূহ বাতিল কৰিবলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে কাইলৈৰ পৰা বিহুৰ সকলো সাংস্কৃতিক অনুষ্ঠান বাতিল কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাইজক অনুৰোধ জনাইছে।

০০০০০০০

অসমে প্ৰসূতিৰ মৃত্যুৰ হাৰ ২৮ পইণ্ট হ্ৰাস কৰি স্বাস্থ্যজনিত সুৰক্ষাৰ ক্ষেত্ৰত দেশৰ সকলো ৰাজ্যৰ ভিতৰত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। ৰাজ্যত ১ লাখ মহিলাৰ ভিতৰত প্ৰসূতিৰ মৃত্যুৰ হাৰ ১৯৫ ৰ পৰা ১৪৭ লৈ হ্ৰাস পাইছে। একেদৰে ৰাজ্যত নৱজাতকৰ মৃত্যুৰ হাৰ ৩৮ৰ পৰা ৩৬ লৈ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এছ আৰ এছ ২০১৯-২১ প্ৰতিবেদনৰ জেৰ টানি কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এটা সময়ত অসমত প্ৰসূতিৰ মৃত্যুৰ হাৰ দেশৰ ভিতৰতে অধিক আছিল। সম্প্ৰতি ৰাজ্যত স্বাস্থ্য খণ্ডৰ উন্নয়নৰ পদক্ষেপৰ জৰিয়তে এই হাৰ অভূতপূৰ্বভাৱে হ্ৰাস কৰিবলৈ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰী ডং শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে ৰাজ্যত গৰ্ভৱতী মহিলাসকলে নিৰাপদ অনুভৱ কৰিবলৈ লৈছে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে স্বাস্থ্যকৰ্মী, আশাকৰ্মীকে ধৰি এই সাফল্য সম্ভৱ কৰি তোলা প্ৰতিগৰাকীলৈ তেওঁলোকৰ সেৱাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০০০

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলাসমূহত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। **কামৰূপ** জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনাৰ বাবে তিনি ঠাইত ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। আমিনগাঁও আয়ুক্তৰ কাৰ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ৰঙিয়া সম জিলা কাৰ্যালয়ত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইতিমধ্যে ভোটগণনাৰ বাবে নিৰীক্ষক, ভোটগণনা সহায়ক, সূক্ষ্ম পৰ্যবেক্ষকসকলকে ধৰি ভোটগণনা কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**ডিব্ৰুগড়** জিলাতো ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ কালি এই প্ৰক্ৰিয়াত নিয়োজিত মাইক্ৰ' অবজাৰভাৰ, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা পুঁথিভঁৰাল প্ৰেক্ষাগৃহ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত কেইবাগৰাকীও বিশেষজ্ঞ প্ৰশিক্ষকে ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত বিষয়াসকলক প্ৰশিক্ষণ দিয়ে।

**তিনিচুকীয়া** জিলাতো পৰহিলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। জিলা সদৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰুমৰ উপৰি তিনিওখন সমজিলাতে একে সময়তে ভোটগণনা কৰা হ'ব। প্ৰতিটো জিলা পৰিষদ সমষ্টিৰ বাবে একোটাকৈ গণনা কক্ষ স্থাপন কৰা হৈছে। পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা ব্যৱস্থা সন্দৰ্ভত জিলাখনৰ সকলো পঞ্জীভুক্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে জিলা আয়ুক্ত স্বপ্নীল পাল এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই বৈঠকত ভোটগণনা সুকলমে স্বচ্ছ, নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ ৰাজনৈতিক দল তথা প্ৰাৰ্থীসকলে পালন কৰিবলগীয়া কৰ্তব্য সন্দৰ্ভত আলোচনা কৰা হয়। আয়ুক্তগৰাকীয়ে এই ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰ সহায় সহযোগিতা কামনা কৰে।

**শোণিতপুৰ** জিলাতো ভোটগণনাৰ বাবে যাৱতীয় প্ৰস্তুতি অব্যাহত আছে। সেই অনুসৰি ভোটগণনাৰ দিনা তেজপুৰত সুৰক্ষা ব্যৱস্থাকে ধৰি সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি শোণিতপুৰ জিলা দণ্ডাধীশে এলানি নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি দৰং মহাবিদ্যালয়ত স্থাপন কৰা ভোটগণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত জনসমাবেশ, যান-বাহনৰ পাৰ্কিং, অস্থায়ী বিপণী খোলা আৰু ফটকা ফুটোৱা নিষিদ্ধ কৰা হৈছে। গণনা কেন্দ্ৰৰ বাহিৰত অস্ত্ৰসদৃশ সামগ্ৰী ৰখাৰ লগতে পৰিচয়বিহীন লোকৰ প্ৰবেশ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা উলংঘা কৰিলে ভাৰতীয় ন্যায় সংহিতাৰ ধাৰা অনুসৰি শাস্তি বিহা হ'ব বুলি কোৱা হৈছে।

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ প্ৰস্তুতি সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

-বাইট-

০০০০০০০

আসন্ন বিটিআৰ নিৰ্বাচনত হাগ্ৰামা মহিলাৰীৰ নেতৃত্বাধীন বি পি এফ আৰু প্ৰাক্তন সাংসদ নৱ শৰণীয়া নেতৃত্বাধীন গণ সুৰক্ষা পৰিষদে আসন বুজাবুজিৰে ঐক্যবদ্ধ হৈ প্ৰতিদ্বন্দ্বিতা কৰিব। কালি নলবাৰীত দল দুটাৰ নেতৃত্বৰ মাজত হোৱা বৈঠকৰ অন্তত এই কথা প্ৰকাশ কৰা হয়। বৈঠকখনত হাগ্ৰামা মহিলাৰীকে পুনৰ পৰৱৰ্তী নিৰ্বাচনত মুখ্য কাৰ্যবাহী সদস্যৰূপে প্ৰক্ষেপ কৰাৰ সিদ্ধান্তও গ্ৰহণকৰা হয়। প্ৰাক্তন সাংসদ নৱ শৰণীয়াই কয়, যে বি টি আৰত সীমাহীন দুৰ্নীতি ভ্ৰষ্টাচাৰ কৰা প্ৰমোদ বড়ো নেতৃত্বাধীন ইউ পি পি এলৰ বিকল্পৰ সন্ধানত থকা ৰাইজে তেওঁলোকক আদৰি ল'ব বুলি আশাবাদী। বি পি এফৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে কমেও ৩০ টা পৰিষদীয় সমষ্টিত জয়লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতাৰে পৰৱৰ্তী চৰকাৰ গঠন কৰিব বুলিও তেওঁ দৃঢ়তাই প্ৰকাশ কৰে।

০০০০০০০

ৰাজ্যৰ প্ৰথমটো সুৰংগ পথ গহপুৰ নুমলীগড় সংযোগী ৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱাৰ নিৰ্মাণ কাৰ্য্য শীঘ্ৰে আৰম্ভ হ'ব। সুৰক্ষা পথটোৰ নিৰ্মাণৰ ক্ষেত্ৰত সুৰক্ষা ক্ৰয় পৰিষদে সকলো দিশতে অনুমোদন

জনোৱা বুলি গহপুৰ বিধায়ক উৎপল বড়াই জানিবলৈ দিছে। অহা বিধানসভা নিৰ্বাচনৰ পূৰ্বে কাম আৰম্ভ হ'বলগীয়া প্ৰকল্পটোৰ বাবে চলিত বৰ্ষৰ অক্টোবৰ-নৱেম্বৰ মাহত নিবিদা প্ৰকাশ পাব বুলি তেওঁ মন্তব্য কৰে। লুই বাৰ্জাৰ প্ৰতিষ্ঠানে প্ৰস্তুত কৰা ১৫হাজাৰ ১৭৪ কোটি টকাৰ ডি পি আৰ আৰু বৃহৎ প্ৰকল্পটোৱে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন লাভ কৰিছে। ৰাজ্য চৰকাৰৰ ৰাজহ বিভাগে সুৰংগ পথ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ১৬৫ হেক্টৰতকৈও অধিক ভূমি অধিকগ্ৰহণ কৰিছে। দেশৰ অখণ্ডতা আৰু প্ৰতিৰক্ষাৰ দিশত অধিক গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত সুৰংগ পথটোৱে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ লগতে দক্ষিণ পাৰক পোনপটীয়াকৈ সংযোগ কৰিব। পথটো উত্তৰপাৰে বিশ্বনাথ জিলাৰ গহপুৰৰ সোলেঙী দলঙৰ পৰা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ দিশে ঘূৰি ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ গোলাঘাট জিলাৰ নুমলীগড়ত সংযোগ হ'ব।

০০০০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত আজিৰপৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। আজি পুৱা ফাট বিহু সমিতিৰ সভাপতি বসন্ত শইকীয়াই পতাকা উত্তোলনেৰে বিহু পালনৰ শুভাৰম্ভ কৰিব। দিনৰভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘূলি চাপৰিলৈ আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। কাইলৈ কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, পূৰ্ণ বয়স্ক হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। বিশিষ্ট কবি-সাহিত্যিক তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অৱসৰী অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই মুখপত্ৰখন উন্মোচন কৰিব। অন্তিম দিনা পৰহিলৈ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে। মুকলি অধিবেশনত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুকে ধৰি ৰাজ্যৰ কেইবাগৰাকীও সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব। ইপিনে, লখিমপুৰ জিলা প্ৰশাসনে কাইলৈৰ দিনটো ঢকুৱাখনা উপজিলাৰ সকলো বিদ্যালয়ৰ পাঠদান বাতিল কৰাৰ কথা ঘোষণা কৰিছে।

০০০০০০০

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটিত চলোৱা **অপৰাচেন সিন্দূৰ** সম্পৰ্কত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অৱসৰপ্ৰাপ্ত বায়ুসেনা বাহিনীৰ বিষয়া আৰু জ্যেষ্ঠ নাগৰিকসকলে এই অভিযান আৰু যুদ্ধকালীন সময়ত জনসাধাৰণৰ কৰণীয় সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানত উপস্থাপন, পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা পাঞ্জাব কিংছ আৰু ডেলহি কেপিটেলছৰ মাজত হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত খেলখন সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে বাতিল কৰা হয়। পাকিস্তানৰ সম্ভাব্য আক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি ফ্লাড লাইট নুমুওৱাৰ সময়ত পাঞ্জাব কিংছে ১০ অভাৰ আৰু এটা বলত এটা উইকেটৰ বিনিময়ত ১২২ ৰান কৰি খেলি আছিল।

ইপিনে, পাঞ্জাব কিংছ আৰু মুম্বাই ইণ্ডিয়ানছৰ মাজত ধৰমশালাত হ'বলগীয়া খেলখন আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামলৈ স্থানান্তৰিত কৰা হৈছে। সাম্প্ৰতিক প্ৰত্যাহ্বানৰ বাবে খেলখনৰ স্থান সলনি কৰা হৈছে। দেওবাৰে পূৰ্বৰ সূচী অনুসৰি বিয়লি চাৰে ৩ বজাত খেলখন খেলোৱা হ'ব।

প্ৰতিযোগিতাত আজি লক্ষ্ণৌত হ'বলগীয়া এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰয়েল ছেলেঞ্জাৰ্চ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

সশস্ত্ৰ বাহিনীসমূহে যোৱা নিশা পাকিস্তানে ড্ৰোণ আৰু ক্ষেপণাস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো মহানগৰক লক্ষ্য কৰি আক্ৰমণ চলোৱা প্ৰচেষ্টা ব্যৰ্থ কৰা বাতৰিটো আজিৰ গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। পাকিস্তানৰ ৰাজধানী ইছলামাবাদ, কৰাচী, লাহোৰ, ৰাৱালপিণ্ডিকে ধৰি কেইবাখনো প্ৰধান চহৰত ভাৰতে ড্ৰোণ আক্ৰমণ চলোৱাৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে ইছলামাবাদসহ ১২ চহৰত আক্ৰমণ ভাৰতৰ শিৰোনামেৰে প্ৰকাশ কৰিছে। আমাৰ অসম কাকতৰ শিৰোনাম পুনৰ পাকিস্তানৰ হৃদপিণ্ডত আঘাত। দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম তঙ্ঘখ ঙপফনথযপ খঁস ঙচ্ছতঘচ পযপফচ্চ টত ঢখবঋথনচ । একেটা বাতৰিকে দ্যা চেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। থদচনখফটথত পটতঞ্জথন ২.০ : টতঙ্ঘখ নচফখটচপ, নখয়চপ ডখনখঘবট দথনফ শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে। অসমীয়া খবৰ কাকতৰ শিৰোনাম ড্ৰোণ মিছাইল আক্ৰমণত দিশহাৰা পাকিস্তান। অপাৰেচন সিন্দূৰ চলি থকাৰ মাজতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগৰ সচিবসকলৰ সৈতে ৰাষ্ট্ৰীয় সুৰক্ষা দিশত গ্ৰহণ কৰা শেহতীয়া প্ৰস্তুতি আৰু আন্তঃমন্ত্ৰালয় সহযোগিতাৰ পৰ্যালোচনা সন্দৰ্ভত এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হোৱাৰ বাতৰিটো দৈনিক জনমভূমি কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। নিয়মীয়া বাৰ্তা কাকতে এই বাতৰিটো সমকালীন পৰিস্থিতিৰে মোকাবিলাত সক্ৰিয় হ'বলৈ নিৰ্দেশ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ¯

দেশৰ সকলো ৰাজ্যৰ ভিতৰত প্ৰসূতিৰ মৃত্যু ২৮ পইণ্টলৈ হ্ৰাস কৰি স্বাস্থ্যজনিত সুৰক্ষা ক্ষেত্ৰত অসমে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হোৱা বাতৰিটো দৈনিক বাতৰি কাকতে বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰি মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ আজি ১৬৪ সংখ্যক জয়ন্তী। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাহিত্যৰ ন'বেল বঁটা বিজয়ী দাৰ্শনিক শিল্পী গৰাকীৰ বিশ্বজনীন সম্প্ৰীতি, সত্য আৰু আত্ম উপলব্ধিৰ ক্ষেত্ৰত দৃষ্টিভংগীয়ে ভাৰতীয় জনসাধাৰণক সদায়ে অনুপ্ৰাণিত কৰি আহিছে বুলি মন্তব্য কৰে। কবিগুৰুৰ জয়ন্তী উপলক্ষে অসম ভাষিক সংখ্যালঘু উন্নয়ন পৰিষদে আয়োজন কৰা ৰবীন্দ্ৰ নৃত্য আৰু ৰবীন্দ্ৰ সংগীতৰ চূড়ান্ত পৰ্যায়ৰ প্ৰতিযোগিতাসমূহ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি বিয়লি অনুষ্ঠিত হ'ব।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ইপিনে অসম, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

সমাপ্ত